# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin
***HEADLINES***

১। আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়দ অল নাহ্যান আজি চৰকাৰী ভ্ৰমণসূচীৰে ভাৰত পাবহি।

২। বিদেশ মন্ত্ৰী এছ্ জয়শংকৰ ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ বিদেশমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে ইতিমধ্যে চৌদি আৰৱৰ ৰিয়াধত উপস্থিত হৈছে।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিভিন্ন কাৰ্যসূচীৰে ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ৯৮ সংখ্যক জয়ন্তী পালন কৰা হৈছে।

৪। তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ জৱাহৰ সৰকাৰে সাংসদ পদ আৰু ৰাজনীতি ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে।

***আৰু***

৫। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, ভাৰতে ২০৩০ চনত যুৱ অলিম্পিক আৰু ২০৩৬ চনত গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ দায়িত্ব লাভৰ বাবে চেষ্টা চলাব।

০০০০০০০

আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়দ অল নাহ্যান আজি চৰকাৰী ভ্ৰমণসূচীৰে ভাৰত পাবহি। শ্বেইখ খালিদৰ সৈতে মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, আগশাৰীৰ ব্যৱসায়ী আৰু ইউ এ ইৰ অৰ্থনৈতিক অংশীদাৰৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিব। ভ্ৰমণ কালত অভ্যাগত যুৱৰাজগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। তেওঁ লগতে জ্যেষ্ঠ বিষয়াসকলৰ সৈতেও আলোচনাত মিলিত হোৱাৰ কথা আছে। এই আলোচনাৰ জৰিয়তে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ পাৰস্পৰিক লাভালাভৰ বাবে ইতিমধ্যে উপনীত হোৱা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিসমূহ আগবঢ়াই নিয়াৰ সুযোগৰ অন্বেষণ কৰা হ'ব। উচ্চ পৰ্যায়ৰ বৈঠকসমূহৰ উপৰি শ্বেইখ খালিদে দুয়ো দেশৰ মাজৰ শক্তিশালী, অৰ্থনৈতিক আৰু সাংস্কৃতিক এনাজৰীৰ ওপৰত আলোকপাত কৰা ভালেমান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীসমূহৰ জৰিয়তে ভাৰত আৰু ইউ এ ইৰ মাজত বিভিন্ন ক্ষেত্ৰৰ সমন্বয়ত আলোকপাত কৰা হ'ব। অৰ্থনীতি আৰু বহনক্ষম উন্নয়ন, বিনিয়োগ, বাণিজ্য আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰত আৰু ইউ এ ইৰ মাজৰ বৰ্তমানৰ ইতিবাচক সহযোগিতা আন্তঃৰাষ্ট্ৰীয় আৰ্হি ৰূপে পৰিগণিত হৈছে। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্কৰ জৰিয়তে গোলকীয় সুস্থিৰতা আৰু শান্তিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰি আহিছে।

যুৱৰাজগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব।

০০০০০০০

বিদেশ মন্ত্ৰী এছ্ জয়শংকৰ ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ বিদেশমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে আজি চৌদি আৰৱৰ ৰিয়াধত উপস্থিত হৈছে। এই দুদিনীয়া ভ্ৰমণকালত তেওঁ উপসাগৰীয় সহযোগিতা পৰিষদৰ সদস্য ৰাষ্ট্ৰসমূহৰ বিদেশমন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰো সম্ভাৱনা আছে। উপসাগৰীয় সহযোগিতা পৰিষদে সামৰি লোৱা অঞ্চলটো  ভাৰতৰ প্ৰধান ব্যৱসায়িক অংশীদাৰ হোৱাৰ লগতে এটা অঞ্চলটোত প্ৰায় ৮৯ লাখ ভাৰতীয়ই বাস কৰে। বিদেশ মন্ত্ৰীৰ বৈঠক হৈছে ভাৰত আৰু উপসাগৰীয় সহযোগিতা পৰিষদৰ মাজত বিভিন্ন ক্ষেত্ৰত আনুষ্ঠানিক সহযোগিতাৰ পৰ্যালোচনা তথা সম্পৰ্ক দৃঢ় কৰাৰ এটা সুযোগ। এই ভ্ৰমণকালৰ দ্বিতীয় পৰ্যায়ত শ্ৰীজয়শংকৰে পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীৰ বাৰ্লিনলৈ যাব। এয়া হ'ব তেওঁৰ তৃতীয়টো বাৰ্লিন ভ্ৰমণ। উল্লেখযোগ্য যে, জাৰ্মানী ভাৰতৰ প্ৰধান ব্যৱসায়িক অংশীদাৰ হোৱাৰ লগতে বৃহত্তম প্ৰত্যক্ষ বিদেশী বিনিয়োগকাৰীসকলৰ ভিতৰত অন্যতম। এই ভ্ৰমণকালত ড° জয়শংকৰে জাৰ্মানীৰ বিদেশমন্ত্ৰীৰ লগতে আন মন্ত্ৰীসকলক সাক্ষাৎ কৰি দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সামগ্ৰিক দিশসমূহৰ বিষয়ে আলোচনা কৰিব। ড° জয়শংকৰে ১২ ছেপ্তেম্বৰত চৰকাৰী ভ্ৰমণসূচীৰে ছুইজাৰলেণ্ডৰ জেনেভালৈ যাব। জেনেভাত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাৰ কাৰ্যালয় আছে। এই ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰত সক্ৰিয়ভাৱে জড়িত হৈ থকা আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মুৰব্বী আৰু প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব। তেওঁ দেশ দুখনৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ অন্বেষন কৰাৰ বাবে দেশখনৰ বিদেশমন্ত্ৰীৰ সৈতেও বৈঠকত মিলিত হ'ব।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিভিন্ন কাৰ্যসূচীৰে ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ৯৮ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত আজি জালুকবাৰী সমাধিস্থলিত পুৱা স্মৃতি তৰ্পণ কৰা হয়। বিয়লিলৈ ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। আনহাতে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস পালন কৰা হ'ব। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলিত সন্ধিয়া ৬ বজাৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। অসম সাহিত্য সভাইও গুৱাহাটীৰ দীঘলীপুখুৰীত সাহিত্যসভাৰ প্ৰশাসনীয় কাৰ্যালয়ৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই ড০ ভূপেন হাজৰিকাৰ জন্ম বাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কৈছে যে, শিল্পীগৰাকীৰ গীতে ন্যায়, সমন্বয় আৰু ভাতৃত্ববোধৰ বাৰ্তা বহন কৰে।

কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কৈছে যে, ড০ হাজৰিকাৰ অতুলনীয় শিল্পীসুলভ ৰুচিবোধে অসমৰ সংস্কৃতি আৰু সুৰসমূহক ভাৰতীয় সংগীত জগতৰ অগ্ৰণিৰূপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছে। শিল্পীগৰাকীৰ সংগীতসমূহে আজিও ভালেমান লোকৰ জীৱন স্পৰ্শ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ জৱাহৰ সৰকাৰে সাংসদ পদ আৰু ৰাজনীতি ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। তেওঁ এই সন্দৰ্ভত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুকলি পত্ৰত সংসদৰ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ধন্যবাদ জ্ঞাপন কৰি শ্ৰীসৰকাৰে ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ ক্ষোভ প্ৰকাশ কৰিছে। শ্ৰীসৰকাৰে কৈছে যে, দলৰ দুৰ্নীতি আৰু একাংশ নেতাৰ মইমতালিৰ বাবে দলৰ প্ৰতি তেওঁৰ মোহ ভংগ হৈছে। আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ঘটনা উল্লেখ কৰি তেওঁ কয় যে, বিষয়টোক লৈ জনসাধাৰণৰ ক্ষোভ স্বতস্ফূত, ব্যাপক আৰু অৰাজনৈতিক বুলি তেওঁ বিশ্বাস কৰে। প্ৰতিবাদকাৰীসকলে অভয়াৰ হ'কে ন্যায় বিচাৰে বুলিও তেওঁ মন্তব্য কৰে। পত্ৰখনত শ্ৰীসৰকাৰে কয় যে, ৰাজ্য চৰকাৰে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ঘটনাৰ সৈতে জড়িত অপৰাধীসকলক ন্যায়ৰ কাঠগড়ালৈ অনাৰ বাবে পৰ্যাপ্ত আৰু দ্ৰুত পদক্ষেপ লোৱাত ব্যৰ্থ হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৃষিভিত্তিক উৎসৱ নুৱাখাই উপলক্ষে বিশেষকৈ ওড়িশাৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে এই উৎসৱক দেশৰ খেতিয়কসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ উপলক্ষ্য বুলি অভিহিত কৰে। তেওঁ লগতে এইবুলি কামনা কৰে যে, এই উৎসৱে যেন সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধিৰ বতৰা কঢ়িয়াই আনে।

০০০০০০০

জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰ দাখিল আৰু প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছত ব্যাপক ৰূপত নিৰ্বাচনী প্ৰচাৰ চলি আছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আজি ৰামবন আৰু বানিহালত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নিৰ্বাচনী সভাত ভাষণ দিব। ইতিমধ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে জম্মু কাশ্মীৰ ভ্ৰমণ কৰিছে। কালি জম্মুৰ পলৌৱা অঞ্চলত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ভাষণ দিয়ে। শ্ৰীশ্বাহে উন্নয়ন আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ত আলোকপাত কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অহা সপ্তাহত কেইবাগৰাকীও ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাই জম্মু-কাশ্মীৰত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ১৮ চেপ্তেম্বৰত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন হোৱাৰ বিপৰীতে ২৫ চেপ্তেম্বৰত দ্বিতীয় আৰু ১ অক্টোবৰত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবত ভোটগণনা কৰা হ'ব।

০০০০০০০

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ অট্টালিকা খহি পৰা ঘটনাত নিহত লোকৰ সংখ্যা ৮ লৈ বৃদ্ধি পাইছে। এই ঘটনাত অন্য ২৮ জন লোক আহত হৈছে আৰু আহতসকলক ভিন ভিন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। কালি প্ৰাৰম্ভিক

অৱস্থাত ৫ টা মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু নিশাৰ ভাগলৈ উদ্ধাৰ অভিযানৰ সময়ত ধ্বংসস্তুপৰ মাজৰ পৰা আৰু ৩ টা মৃতদেহ উদ্ধাৰ হয়। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক সঁহাৰি বাহিনীৰ দলে আৰক্ষী আৰু প্ৰশাসনৰ সহায়ত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ট্ৰান্সপোৰ্ট নগৰ এলেকাৰ হৰমিলাপ নামৰ এই ৩ মহলীয়া অট্টালিকাটো কালি বিয়লিৰ ভাগত খহি পৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক লৈ গভীৰ  শোক প্ৰকাশ কৰিছে আৰু দুৰ্ঘটনাত নিহত প্ৰতিজন লোকৰ নিকটাত্মীয়লৈ দুই লাখ টকাকৈ এককালিন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। উত্তৰ প্ৰদেশ চৰকাৰে আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰিব।

০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, ভাৰতে ২০৩০ চনত যুৱ অলিম্পিক আৰু ২০৩৬ চনত গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ দায়িত্ব লাভৰ বাবে চেষ্টা চলাব। নতুন দিল্লীত আজি অলিম্পিক কাউন্সিল অৱ এছিয়াৰ ৪৪ সংখ্যক সাধাৰণ সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এইবাৰৰ বাজেটত খেল শিতানৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ ২০১৪-১৫ বৰ্ষৰ ১৪ কোটি ৩০ লাখ টকাৰ পৰা প্ৰায় ৪৭ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। চৰকাৰৰ এনে প্ৰচেষ্টাৰ বাবেই  দেশে এছিয়ান গেমছত ১০৭ টা আৰু এছিয়ান পেৰাগেমছত ১১১ টা পদক জয়েৰে অসাধাৰণ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**